**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-07-2026
**Time :** 17-15 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। জাপানী ভাষাৰ প্ৰশিক্ষণ গ্ৰহণ কৰা ৰাজ্যৰ প্ৰশিক্ষাৰ্থীসকলক পৰীক্ষাৰ পূৰ্বে ১ লাখ টকাকৈ প্ৰদানৰ কথা ঘোষণা।

২। অসম বিধানসভাত বড়ো ভাষাৰ ব্যৱহাৰ প্ৰত্যাহাৰৰ প্ৰস্তাৱ গ্ৰহণ কৰা নাই বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত শৰ্মাৰ প্ৰকাশ।

৩। গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ ভিবি জি ৰামজী আঁচনিৰ অধীনত অসমৰ বাবে প্ৰথম কিস্তি হিচাপে ৬৩০ কোটি ৯৬ লাখ টকা মুকলি।

**আৰু**

৪। কৃষি মন্ত্ৰী পীযূষ হাজৰিকাৰ গুৱাহাটীৰ উদ্যান শস্য গৱেষণা কেন্দ্ৰত গছপুলি আৰু মাহজাতীয় শস্যৰ বীজ বিতৰণ।

ooooo

চি এম ফ্লাইট শীৰ্ষক পাঠ্যক্ৰম গ্ৰহণ কৰি থকা শিক্ষাৰ্থীসকলৰ জাপানী ভাষাৰ প্ৰশিক্ষণ গ্ৰহণ কৰি থকাসকলক পৰীক্ষাৰ পূৰ্বেই ১ লাখ টকাকৈ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই শিক্ষাৰ্থীসকলৰ সৈতে আজি মত-বিনিময় কৰাৰ অন্তত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে এই প্ৰশিক্ষাৰ্থীসকলে প্ৰথম তিনি মাহৰ প্ৰশিক্ষণ সম্পূৰ্ণ কৰাৰ পাছত ৩০ হাজাৰ টকাকৈ লাভ কৰিব। পৰৱৰ্তী ছমাহত দ্বিতীয় বাৰলৈ ৩০ হাজাৰ টকা লাভ কৰাৰ লগতে পাছৰ ৯ মাহত বাকী ৪০ হাজাৰ টকা অৰ্থাৎ মুঠ ১ লাখ টকা তেওঁলোকে লাভ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে জাপানৰ ভিজা লাভ কৰাৰ পাছত এই প্ৰশিক্ষাৰ্থীসকলক ৫০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। তেওঁলোকৰ নিযুক্তি কেৱল জাপানতেই সীমাবদ্ধ হৈ নাথাকে বুলি প্ৰকাশ কৰি তেওঁ কয় যে প্ৰশিক্ষাৰ্থীসকলে ৰাজ্যৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত নিযুক্তিৰ সুবিধা লাভ কৰিব। দেশত বৰ্তমান এহেজাৰ ৫০০ৰো অধিক জাপানী প্ৰতিষ্ঠানে কাম কৰি আছে বুলি উল্লেখ কৰি তেওঁ কয় যে অহা দুই-তিনি বছৰত আমাৰ ৰাজ্যতো জাপানী প্ৰতিষ্ঠানৰ কাম-কাজ আৰম্ভ হ'ব। ৰাজ্যৰ যুৱ চামৰ বাবে আন্তৰ্জাতিক পৰ্যায়ত নিজৰ প্ৰতিভা বিকাশ কৰাৰ সুযোগ কঢ়িয়াই অনাৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপক লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ইতিবাচক মনোভাৱ প্ৰকাশ কৰে। তেওঁ কয় যে ৰাজ্যৰ গ্ৰামাঞ্চলসমূহৰ পৰা অহা বহু শিক্ষাৰ্থীয়ে আজিলৈ কেতিয়াও বিদেশ যাত্ৰা কৰা নাই। কিন্তু এই পদক্ষেপৰ জৰিয়তে তেওঁলোকে আন্তঃৰাষ্ট্ৰীয় সুযোগ লাভ কৰা বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। সম্প্ৰতি ১৪০গৰাকী শিক্ষাৰ্থীয়ে এই আঁচনিৰ অধীনত প্ৰশিক্ষণ গ্ৰহণ কৰি আছে। পৰৱৰ্তী পৰ্যায়ত এই আঁচনি ব্যাপকভাৱে ৰূপায়ণৰ চিন্তা-চৰ্চা কৰা হৈছে বুলি ড° শৰ্মাই প্ৰকাশ কৰে।

## বাইট-মুখ্যমন্ত্ৰী

০০০০০

অসম বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে বিধানসভাৰ কাৰ্য সম্বন্ধীয় প্ৰক্ৰিয়াত বড়ো ভাষাৰ ব্যৱহাৰ প্ৰত্যাহাৰ কৰাৰ কোনো প্ৰস্তাৱ গ্ৰহণ কৰা নাই বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত শৰ্মাই আজি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ কয়, যে বড়ো ভাষা অসমৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্য আৰু স্বকীয় পৰিচয়ৰ এক অবিচ্ছেদ্য অংগ। এই ভাষাই বড়ো সমাজৰ ইতিহাস, পৰম্পৰা আৰু আশা-আকাংক্ষা বহন কৰাৰ লগতে ৰাজ্যৰ বৈচিত্ৰ্যপূৰ্ণ সাংস্কৃতিক ঐক্য অধিক সমৃদ্ধ কৰিছে বুলি তেওঁ কয়। ৰাজ্য চৰকাৰ বড়ো ভাষাৰ সংৰক্ষণ আৰু প্ৰসাৰৰ বাবে সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ বুলিও তেওঁ প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই ভাষাটোৰ বিকাশ আৰু ভৱিষ্যৎ প্ৰজন্মৰ মাজতো ভাষাটোৰ স্বকীয়তা অটুট ৰাখিবলৈ ৰাজ্য চৰকাৰে সকলো ধৰণৰ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান কৰে। ইপিনে অসম বিধানসভাত এতিয়াৰে পৰা অসমীয়া, ইংৰাজী, বড়ো ভাষাৰ লগতে হিন্দী ভাষা প্ৰচলনৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। বিধানসভাৰ সাধাৰণ কাৰ্য উদ্দেশ্য সমিতিৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই সন্দৰ্ভত বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে এইদৰে কয়—

## বাইট (ৰণজিৎ কুমাৰ দাস)

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত গুৱাহাটীত কাইলৈ আৰু পৰহিলৈ ব্ৰীকছ্ ৰাষ্ট্ৰৰ মাদকদ্ৰব্য বিৰোধী সংস্থাসমূহৰ মুৰব্বীসকলৰ বৈঠক অনুষ্ঠিত হ'ব। গৃহ মন্ত্ৰালয়ৰ অধীনৰ মাদক দ্ৰব্য নিয়ন্ত্ৰণ সংস্থাৰ উদ্যোগত আয়োজিত এই বৈঠকত নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহ আৰু ইয়াৰ অপব্যৱহাৰৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত ব্ৰীকছ্ৰ সদস্য ৰাষ্ট্ৰ আৰু দেশৰ মাদকদ্ৰব্য বিৰোধী সংস্থাৰ মুৰব্বী তথা জ্যেষ্ঠ বিষয়াসকলে মত প্ৰকাশ কৰিব। এই আলোচনাত মাদকদ্ৰব্য সৰবৰাহৰ বিৰুদ্ধে চোৰাংচোৱাৰ তথ্য বিনিময় আৰু কাৰ্যকৰী সমন্বয় শক্তিশালী কৰা, সামৰ্থ বৃদ্ধি আৰু প্ৰতিষ্ঠানগত সহযোগিতা বৃদ্ধি আদি বিষয়ত গুৰুত্ব দিয়া হ'ব। বৈঠকত অংশগ্ৰহণকাৰীসকলে নিচাযুক্ত দ্ৰব্য সৰবৰাহৰ ক্ষেত্ৰত দেখা দিয়া ডিজিটেল প্ৰযুক্তিৰ ব্যৱহাৰকে ধৰি ন ন প্ৰত্যাহ্বান দূৰ কৰাৰ বিষয়েও আলোচনা কৰিব। ব্ৰীকছ্ ৰাষ্ট্ৰসমূহৰ মাজত মাদকদ্ৰব্যৰ সৰবৰাহক লৈ সৃষ্টি হোৱা সমস্যা নিৰ্মূল কৰাৰ বাবে উমৈহতীয়া ঘোষণা পত্ৰ গ্ৰহণেৰে এই বৈঠকৰ সামৰণি পৰিব।

০০০০০

গ্ৰামোন্নয়ন মন্ত্ৰালয়ে বিকশিত ভাৰত গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ আঁচনি ভিবি জি ৰামজীৰ অধীনত অসমৰ বাবে প্ৰথম কিস্তি হিচাপে ৬৩০ কোটি ৯৬ লাখ টকা মুকলি কৰি দিছে। কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে ভিডিঅ' কনফাৰেন্স ব্যৱস্থাৰে আয়োজিত অনুষ্ঠানত আজি এই ধনৰাশি মুকলি কৰি দিয়ে। মন্ত্ৰীগৰাকীয়ে আজি ৰাজ্যসমূহলৈ মুঠ ২৫ হাজাৰ কোটি টকাৰ সাহায্য মুকলি কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে সদৰি কৰি কয়, যে কেন্দ্ৰীয় চৰকাৰে অসমৰ উন্নয়নক সদায়ে প্ৰাধান্য দি আহিছে। এই আৱণ্টনে অসমৰ গ্ৰাম্য কৰ্ম শক্তিক উৎসাহ দিয়াৰ লগতে গ্ৰাম্য পথ সংযোগ অধিক শক্তিশালী কৰি অৰ্থনৈতিক সুযোগ আৰু সৰ্বাত্মক বিকাশ নিশ্চিত কৰিব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে অসমবাসীৰ হৈ কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীচৌহান আৰু কেন্দ্ৰীয় চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে।

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী অতুল বৰাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ অধ্যক্ষতাত ভিডিঅ' কনফাৰেন্স ব্যৱস্থাৰে অনুষ্ঠিত বৈঠকত অংশগ্ৰহণ কৰি এই আঁচনিয়ে অসমৰ গ্ৰামাঞ্চলৰ উন্নয়নৰ নতুন অধ্যায়ৰ সূচনা কৰিব বুলি আশা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে ভিবি জি ৰামজী আইনৰ অধীনত পৰৱৰ্তী ৫ বছৰত ২ লাখ ৮৬ হাজাৰ পঞ্চায়তত ৭ লাখ ৫০ হাজাৰ কোটি টকা বিনিয়োগ কৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীচৌহানে প্ৰকাশ কৰিছে।

ooooo

কৃষি মন্ত্ৰী পিযুষ হাজৰিকাই আজি গুৱাহাটীৰ কাহিকুছিস্থিত অসম কৃষি বিশ্ববিদ্যালয়ৰ উদ্যান শস্য গৱেষণা কেন্দ্ৰত গছপুলি আৰু মাহজাতীয় শস্যৰ বীজ তথা ৰোপণ সামগ্ৰী বিতৰণৰ কাৰ্যসূচীত উপস্থিত থাকে। কাৰ্যসূচীত মন্ত্ৰীগৰাকীয়ে গৱেষণা কেন্দ্ৰৰ চৌহদত এটা নাৰিকলৰ পুলি ৰোপণ কৰে। মন্ত্ৰীগৰাকীয়ে কৃষি বিশ্ববিদ্যালয়ৰ উদ্যোগত গ্ৰহণ কৰা এই পদক্ষেপে ৰাজ্যৰ কৃষকসকলৰ উৎপাদনশীলতা বৃদ্ধি কৰাৰ লগতে ৰাজ্যৰ কৃষি আৰু উদ্যান শস্য খণ্ডত অধিক শক্তিশালী কৰি তুলিব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয় যে চৰকাৰে ৰাজ্যত নাৰিকলৰ উৎপাদন বৃদ্ধিৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। এই সন্দৰ্ভত ইতিমধ্যে বিশেষজ্ঞসকলৰ সৈতে সবিশেষ আলোচনা কৰিছে। সংবাদ মাধ্যমৰ আগত শ্ৰীহাজৰিকাই কয়, যে প্ৰতিবছৰে ৰাজ্যত নাৰিকল, তামোল, নেমু আদিৰ এক কোটিকৈ পুলি কৃষকসকলৰ মাজত বিতৰণ কৰা হ'ব বুলি তেওঁ অৱগত কৰে। কমেও এগৰাকী ব্যক্তিক ১০ টাকৈ বিভিন্ন গছপুলি দিয়াৰ ব্যৱস্থা কৰা হ'ব বুলি অৱগত কৰে। ৰাজ্যত বৰ্তমান ২৪ লাখ ৫০ হাজাৰ পঞ্জীয়নকৃত কৃষকৰ ভিতৰত ১৮ লাখ ৬০ হাজাৰ প্ৰধানমন্ত্ৰী ফছল বীমা যোজনাৰ সুবিধা লাভ কৰিছে বুলি তেওঁ উল্লেখ কৰে।

ooooo

ৰাজ্যৰ বন বিভাগে অনিয়ম আৰু নীতি বহিৰ্ভূত কাৰ্যকলাপৰ অভিযোগত যোৰহাট সংমণ্ডলৰ ফৰেষ্টাৰ মণ্টু হাজৰিকাক কৰ্তব্যৰ পৰা নিলম্বন কৰিছে। সামাজিক মাধ্যমত এটা টেলিফোনিক বাৰ্তালাপ বিয়পি পৰাৰ পাছতে বন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বিষয়টো গুৰুত্ব সহকাৰে লৈ বনকৰ্মীজনৰ বিৰুদ্ধে তৎকালীনভাৱে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগক নিৰ্দেশ দিয়ে। বন মন্ত্ৰীৰ জৰুৰী নিৰ্দেশৰ পাছতে যোৰহাটৰ বন সংমণ্ডল বিষয়াই মণ্টু হাজৰিকাক তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ চাকৰিৰ পৰা নিলম্বন কৰে।

ooooo

ঃঃ সমাপ্ত ঃঃ